# অধ্যায় ৪ ঃ নব্য প্রচাৰ মাধ্যমৰ ধাৰণা

## অধ্যায় গাঁথনি


4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 নব্য প্রচাৰ মাধ্যমৰ ধাৰণা

- 4.3.1 নব্য প্রচাৰ মাধ্যমৰ অর্থ
- 4.3.2 নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্য
  - 4.3.2.1 নব্য প্রচাৰ মাধ্যম বনাম আন্তঃব্যক্তিগত (Interpersonal) সংযোগ আৰু গণসংযোগ
  - 4.3.2.2 নব্য প্রচাৰ মাধ্যমৰ মৌলিক বৈশিষ্ট্য

4.4 ভাৰতত কম্পিউটাৰ বিপ্লৱ আৰু ইণ্টাৰনেট

- 4.4.1 কম্পিউটাৰৰ ইতিহাস আৰু বিকাশ
- 4.4.2 ইণ্টাৰনেট
- 4.4.3 ইণ্টাৰনেটৰ ইতিহাস আৰু বিকাশ
- 4.4.4 ইণ্টাৰনেট আৰু বিশ্বজনীন গাঁৱৰ ধাৰণা
- 4.4.5 সমধর্মিতা (Convergence) আৰু নব্য প্রচাৰ মাধ্যম

4.5 নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ আৰু তথ্যৰ অতিভাৰ (Overload)

4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.7 অধিক জানিবলৈ

4.8 অগ্রগতিৰ খতিয়ান

4.9 সম্ভাব্য প্রশ্ন


## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- নব্য প্রচাৰ মাধ্যমৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- বর্তমান সুলভ হৈ পৰা বিভিন্ন নব্য প্রচাৰ মাধ্যমৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- ভাৰতত কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ ইতিহাস তথা বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব
- সাংবাদিকতাত কম্পিউটাৰৰ ভূমিকা আলোচনা কৰিব পাৰিব
- সংযোগ ব্যৱসায়ত নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ পৰীক্ষা কৰিব পাৰিব।

## ৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি বিভিন্ন প্রকাৰৰ প্রচাৰ মাধ্যমৰ সৈতে পৰিচিত হৈছে। এতিয়া মানে আপুনি নিশ্চয় বুজি উঠিছে যে জণগণৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সম্প্রতি বিশ্বত বিভিন্ন প্রকাৰৰ প্রচাৰ মাধ্যম সুলভ হৈ পৰিছে। এনে দুটামান মাধ্যম হ'ল বাতৰি কাকত, টেলিভিছন, ৰেডিঅ', কিতাপ, আলোচনী, ইত্যাদি। এইবোৰ মাধ্যমৰ উপৰি গঞা লোকৰ সৈতে অধিক ফলপ্রসুভাৱে সংযোগ স্থাপন কৰিবলৈ অতীত আৰু বর্তমানত বিভিন্ন প্রকাৰৰ পৰম্পৰাগত তথা লোক প্রচাৰ মাধ্যমৰ সহায় লোৱা হৈ আহিছে।

এই সকলোবোৰ বিষয়ে জানি বুজি লোৱাৰ পাছত এইবাৰ আমি বিগত কেইটামান দশকৰ ভিতৰত আত্মপ্রকাশ কৰা আন কেতবোৰ সংযোগ মাধ্যমৰ বিষয়ে আলোচনা কৰিম। এই মাধ্যমবোৰে সংযোগ জগতত নতুন যুগৰ সূচনাকাৰী কম্পিউটাৰৰ আত্মপ্রকাশৰ পাছত বিশেষভাৱে বিকশিত হোৱাৰ সুযোগ লাভ কৰিছে। নতুন সংযোগ প্রযুক্তি সম্বলিত কম্পিউটাৰবোৰে তথ্য সংগ্রহৰ পদ্ধতি, সংসাধন প্রক্রিয়া আৰু জনগণৰ মাজত তথ্য প্রসাৰৰ পদ্ধতিটোলৈ আমূল পৰিবর্তন কঢ়িয়াই আনিছে।

## ৪.৩ নব্য প্রচাৰ মাধ্যমৰ ধাৰণা

আমি বর্তমান তথ্য আৰু টেলি-সংযোগৰ পৃথিৰী এখনত বাস কৰি আছো। এই পৃথিৰীখন কম্পিউটাৰ, ইন্টাৰনেট, ৱর্ল্ড ৱাইড ৱেব, ডিজিটেলাইজেশ্যন আৰু আন বহুতো নতুন প্রযুক্তিৰে উপচি পৰিছে। এই প্রযুক্তিবোৰে পাৰিপার্শ্বিকতাৰ ওপৰতো এক সুদূৰপ্রসাৰী প্রভাৱ পেলাইছে। সাম্প্রতিক পৰিস্থিতিত তথ্যক সম্ভাব্য শক্তি ৰূপে গণ্য কৰা হয়। যাৰ হাতত তথ্য মজুত থাকে তেওঁক সবাতোকৈ শক্তিশালী অস্ত্রেৰে সজ্জিত সৌভাগ্যবান বুলি বিবেচনা কৰা হয়।

বর্তমান তথ্য কেন্দ্রিক সমাজত প্রচাৰ মাধ্যমে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিবলৈ সক্ষম হৈছে। এই সময়ৰ সকলোবোৰ বিকাশৰ আঁৰত থকা চালিকা শক্তি হ'ল নব্য প্রচাৰ মাধ্যম। বাতৰি-কাকত, টেলিভিছন আৰু ৰেডিঅ'ৰ দৰে পুৰণি প্রচাৰ মাধ্যমবোৰৰ আকর্ষণীয়তা ক্রমে স্তিমিত হৈ পৰিছে। নতুন পৰিস্থিতিত এই মাধ্যমবোৰৰ স্থিতি পৰম্পৰাগত প্রচাৰ মাধ্যমলৈ পর্যবসিত হৈছে । এই মাধ্যমবোৰ যেন মানুহৰ মাজৰ পৰা ক্রমাৎ হেৰাই যাবলৈ লৈছে। বর্তমানৰ ক্রমবর্দ্ধমান নব্য প্রচাৰ মাধ্যমৰ ধামখুমীয়াত পুৰণি প্রচাৰ মাধ্যমবোৰে নিজৰ বিলপ্তি ৰোধ কৰি হেৰোৱা গৌৰৱ ওভতাই আনিবলৈ প্রাণপণ চেষ্টা চলাইছে। অৱশ্যে বিগত কেইটামান দশকত হোৱা প্রযুক্তিগত বিকাশে এই মাধ্যমবোৰক নতুন অৱতাৰ গ্রহ ণ কৰাত সহায় কৰিছে। সম্প্রতি

এই মাধ্যমবোৰে নব্য প্রচাৰ মাধমে সৃষ্টি কৰা ভাবুকিৰ মুখামুখি হ'ব পৰাকৈ নিজকে সকলো দিশৰ পৰা সাজু কৰি তোলাৰ প্রচেষ্টা চলাই আছে।

কিন্তু এই নব্য প্রচাৰ মাধ্যম মানে কি? প্রচলিত পুৰণি প্রচাৰ মাধ্যমবোৰতকৈ ই কিহত বেলেগ? নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যসমূহ কি কি? এই অধ্যায়টোত আমি এই সকলোবোৰ প্রশ্নৰ উত্তৰ দিয়াৰ প্রয়াস কৰিছো।

## ৪.৩.১ নব্য প্রচাৰ মাধ্যমৰ অর্থ

বর্তমান যুগক সঠিক অর্থতে নব্য প্রচাৰ মাধ্যমৰ যুগ বুলি কোৱা হয়। কম্পিউটাৰৰ অভ্যুত্থান আৰু ইন্টাৰনে'টৰ আত্মপ্রকাশ ঘটাৰ লগে লগে মানুহৰ মাজত তথ্য প্রচাৰ কৰাৰ প্রক্রিয়াটোলৈ অহা আমূল পৰিবর্তনেই নব্য প্রচাৰ মাধ্যম বোলা ধাৰণাটোৰ জন্ম দিছে। ইয়াৰ আগতে বাতৰি-কাকত, আলোচনী, টেলিভিছন আৰু ৰেডিঅ'ক প্রচাৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰা হৈছিল। এই মাধ্যমকেইটাৰ জৰিয়তে মানুহৰ মাজত তথ্য প্রচাৰ কৰা হৈছিল, মানুহক মনোৰঞ্জন প্রদান কৰা হৈছিল। এই প্রচাৰ মাধ্যমৰ পন্থা কেইটা আছিল আধুনিক সমাজৰ বিশেষ ফচল। সেইবাবে এই মাধ্যমকেইটাক বোলা হৈছিল 'আধুনিক প্রচাৰ মাধ্যম।'

এই আধুনিক গণ প্রচাৰ মাধ্যম কেইটাই বহুদিন ধৰি প্রচাৰ মাধ্যম ব্যৱসায়ত আধিপত্য বিস্তাৰ কৰি আহিছে। নব্য প্রচাৰ মাধ্যমৰ উত্থানৰ লগে লগে মাধ্যম কেইটা ভাবুকিৰ সন্মুখীন হৈছে। নব্য প্রচাৰ মাধ্যমৰ তথ্য প্রচাৰ প্রক্রিয়া কেইটাই বহুদিন ধৰি প্রচাৰ মাধ্যম ব্যৱসায়ত আধিপত্য বিস্তাৰ কৰি আহিছে। নব্য প্রচাৰ মাধ্যমৰ উত্থানৰ লগে লগে মাধ্যম কেইটা ভাবুকিৰ সন্মুখীন হৈছে। নব্য প্রচাৰ মাধ্যমৰ তথ্য প্রক্রিয়াটোৰ বাবেই মূলতঃ এই ভাবুকিৰ সৃষ্টি হৈছে।

কম্পিউটাৰৰ বিকাশে ইন্টাৰনে'টৰ বিকাশৰ পথ প্রশস্ত কৰি তুলিছে। যেতিয়া তথ্য প্রচাৰ কৰিবলৈ ইন্টাৰনে'টৰ প্রয়োগ আৰম্ভ হ'ল, ই এক নতুন মাধ্যমৰ জন্ম দিলে। ইয়েই পাছলৈ নতুন তথ্য যুগৰ অন্য নাম হৈ পৰিল। ইন্টাৰনে'টে সংবাদ আৰু মনোৰঞ্জন ব্যৱসায়ৰ সমগ্র ধাৰণাটোলৈকে বৈপ্লৱিক পৰিবর্তন কঢ়িয়াই আনিছে। বর্তমান যিকোনো ঠাইতে যিকোনো সময়তে সকলো ধৰণৰ তথ্য সুলভ হৈ পৰিছে। আগতে এয়া সম্ভৱ নাছিল। ইন্টাৰনে'টে মানুহক নিজৰ সুবিধা অনুসৰি তথ্য আহৰণ কৰিবলৈ সক্ষম কৰি তুলিছে। লগতে ইন্টাৰনে'টে তথ্যক এটা ব্যক্তিগত প্রয়োজন অথবা অনুৰোধ আগবঢ়োৱা সেৱাৰো ৰূপ দিছে। দর্শক আৰু ইন্টাৰনে'টৰ মাজত আন্তঃ সংযোগ স্থাপন কৰিব পৰা সুবিধাই তথ্য গ্রহণৰ সমগ্র দৃশ্যপটকে সলাই পেলাইছে। এতিয়া বার্তা আহৰণ কৰাৰ সময়ত দর্শক অধিক সঙোৰ খাই পৰা হৈছে আৰু দর্শকৰ চাহিদা বহু গুণে বৃদ্ধি পাইছে। ফলত আগতে দেখা পোৱা দর্শকৰ অক্রিয় ভূমিকা নাইকিয়া হ'বলৈ ধৰিছে। এই মাধ্যমটোত দর্শকে কেনেদৰে তথ্য আৰু মনোৰঞ্জনৰ সাধন আহৰণ, বিতৰণ আৰু সংযোগ

কৰে তাৰ প্রকৃতি বিবেচনা কৰি চালে ইয়াক প্রচলিত আধুনিক গণ প্রচাৰ মাধ্যম, যেনে ৰেডিঅ' অথবা টিভি কোনোটোৰেই অংশ বুলি গণ্য কৰিব নোৱাৰি। অর্থাৎ ক'ব পাৰি যে গণ সংযোগৰ ক্ষেত্রখনত এটা একেবাৰে নতুন মাধ্যমৰ সংযোগ ঘটিল। এই মাধ্যমটোৰেই নব্য প্রচাৰ মাধ্যম ৰূপে জনপ্রিয়তা অর্জন কৰিছে।

নব্য প্রচাৰ মাধ্যমে সমগ্র সংযোগ ব্যৱসায়ৰ জগতখনলৈকে আমূল পৰিবর্তনৰ জোৱাৰ আনিছে। মাধ্যমটোৰ এই দ্রুত বিকাশ আৰু অগ্রগতিৰ মূলতে হ'ল শেষতীয়া উন্নত প্রযুক্তি। এতিয়া কোৱেকশ্যিয়েল কেবল (coaxial cable), ফাইবাৰ অপ্তিকছ্ (Fibre optics), ছেটেলাইট সংযোগ, ফেক্স মেছিন, ছেলুলাৰ ফোন, টেলি টেক্সট্ (tele text), ভিডিঅ' টেক্সট্, টেলি কনফাৰেন্সিং, ভিডিঅ' কনফাৰেন্সিং, ডিজিটেল ধ্বনি, ডিজিটেল ভিডিঅ' , ইন্টাৰএক্টিভ টিভি, ডিবিএছ (ডাইৰেক্ট ব্রডকাষ্টিং ছিষ্টেম), ভিডিঅ' ফোন, ভিডিঅ' অন ডিমাণ্ড আদি সেৱাৰ সৈতে আমি আটায়ে কম বেছি পৰিমাণে পৰিচিত হৈছো। এই উদ্ভাৱনবোৰে আমাক বাতৰি-কাকত ইন্টাৰনে'টত পঢ়াৰ সুযোগ দিছে, আমাৰ বহা কোঠাত প্রশস্ত পর্দাত প্রিয় টিভি শ্বো আৰু ভিডিঅ' চোৱাৰ সুবিধা কৰি দিছে, অন লাইন বজাৰ-সমাৰ আৰু বেংকৰ কাম-কাজ সমাধা কৰাৰ সুযোগ দিছে, ঘৰতে বহি কম্পিউটাৰ আৰু ইন্টাৰনে'ট ব্যৱহাৰ কৰি ৰে'ল-বিমানৰ টিকেট কৰাৰ সুবিধা দিছে। আমি এতিয়া অনলাইনতে ব্যৱসায় আৰু সকলো প্রকাৰৰ লেন দেন কৰিবলৈ লৈছো। ছেলুলাৰ ফোনৰ জৰিয়তে আত্মীয়-স্বজনৰ সৈতে সম্পর্ক ৰক্ষা কৰি চলিবলৈ শিকিছো, য'লৈকে যাওঁ ফোনটো লগতে লৈ যাবলৈ ধৰিছো, ভার্ছুৱেল ছাট ৰুমৰ জৰিয়তে বন্ধু আৰু অন্য লোকৰ সৈতে পাতিবলৈ আৰম্ভ কৰিছো।

প্রচাৰ মাধ্যম আৰু বিনোদনৰ জগতখনে নিজকে প্রযুক্তিৰ সৈতে খাপ খুৱাই লৈছো। ফলত দর্শকে অগণন সম্ভাৱনা উপভোগ কৰাৰ সুযোগ পাব। আইছিটি (তথ্য সংযোগ প্রযুক্তি), কনভার্জেন্স (সমধর্মিতা), ইনফৰমেশ্যন অ'ভাৰলোড (তথ্যৰ অতিভাৰ), ইনফৰমেশ্যন ছুপাৰ হাইৱে' (তথ্যৰ সমকক্ষহীন ৰাজআলি), ইনফৰমেশ্যন এক্সপ্ল'শ্যন (তথ্যৰ বিস্ফোৰণ), মিডিয়া ইম্পলশ্যন (প্রচাৰ মাধ্যমৰ অন্তঃস্ফোটন) আদিৰ দৰে নতুন ধাৰণাই সংযোগ সমালোচকসকলৰ দৃষ্টি আকর্ষণ কৰিছে। প্রচাৰ মাধ্যম আজি আৰু এটা পৃথক সত্তা হৈ থকা নাই। তাৰ সলনি প্রচাৰ মাধ্যম আৰু প্রযুক্তি মিলিত হৈ তথ্য সংযোগ প্রযুক্তিৰ (information Communication technology/ICT) সৃষ্টি কৰিছে। তাৰ সলনি বিভিন্ন বৈশিষ্ট্যৰ ভিন্ ভিন্ প্রচাৰ মাধ্যমবোৰে এটা আনটোত বিলীন গৈ একোটা সীমাহীন সম্ভাৱনাপূর্ণ (সমধর্মিতা) সম্পূর্ণ নতুন মাধ্যমৰ জন্ম হৈছে। এই অধ্যায়ত আমি এই সকলোবোৰ কথা আলোচনা কৰিম। প্রথমে নব্য প্রচাৰ মাধ্যমৰ কেইটামান বৈশিষ্ট্য আলোচনা কৰা হ'ল।

## ৪.৩.২ নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্য

নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্য কেইটামানৰ আন্তঃব্যক্তিগত আৰু অন্য গণ প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যৰ সৈতে মিল আছে। আনহাতে ইয়াৰ আন দুটামান বৈশিষ্ট্য সম্পূর্ণ অনন্য। ইহঁতৰ সংযোগৰ বাবে উপলব্ধ আন কোনো প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যৰ সৈতে অলপো মিল নাই।

### ৪.৩.২.১ নব্য প্রচাৰ মাধ্যম বনাম আন্তঃব্যক্তিগত সংযোগ আৰু গণসংযোগ

আন্তঃব্যক্তিগত সংযোগ মানে হ'ল মুখামুখি সংযোগ। এনে সংযোগ কালত দুগৰাকী ব্যক্তিয়ে নিচেই ওচৰৰ পৰা মত বিনিময় কৰে। ক্রিয়া-প্রতিক্রিয়া তাৎক্ষণিকভাৱে জনাৰ অৱকাশ থাকে। এনে সংযোগত ক্রিয়া প্রতিক্রিয়া প্রকাশৰ পৰিমাণো অন্য সংযোগ প্রক্রিয়াবোৰৰ তুলনাত অধিক। বিনিময় কৰা বার্তাবোৰো সামাজিক-আবেগিক প্রেক্ষাপট আপেক্ষিকভাৱে উচ্চমানৰ।

আনহাতে, গণসংযোগ হ'ল এটা মধ্যস্থতাকাৰী সংযোগ ব্যৱস্থা। সেয়েহে ই বাতৰি-কাকত, ৰেডিঅ', টেলিভিছন, বোলছবি আদি মাধ্যমেৰে সংযোগ স্থাপন কৰে। ইয়াৰ ক্রিয়া-প্রতিক্রিয়া (Feedback) সদায় পলমকৈ গম পোৱা যায়। অধিকাংশ সময়তে কোনো ক্রিয়া-প্রতিক্রিয়াৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। এনে সংযোগৰ উৎসই সদায় এটা জটিল প্রতিষ্ঠানৰ মাধ্যমেৰে কাম কৰে আৰু উৎসবোৰক আনুষ্ঠানিকৃত কৰি লোৱা হয়। তথ্য বিতৰণ আৰু গ্রহণৰ সমগ্র প্রক্রিয়াটো জটিল আৰু একাধিক পর্যায়ত কাম সম্পন্ন কৰিবলগীয়া হয়।

আনহাতে, নব্য প্রচাৰ মাধ্যম হ'ল আন্তঃব্যক্তিগত সংযোগ আৰু গণসংযোগ দুয়োটাৰে বৈশিষ্ট্যবোৰ নিজৰ কৰি লোৱা এটা সংহত মাধ্যম। যেতিয়া ইন্টাৰনেটৰ সংযোগ স্থাপন হয়, ইয়াৰ এটা পক্ষ সদায় উৎস (উৎস কেতিয়াবা কোনো অনুষ্ঠান-প্রতিষ্ঠানো হ'ব পাৰে) আৰু আনটো পক্ষ সদায় গ্রাহক (এজন অথবা একাধিক লোকৰ সৰু গোট) হয়। সংযোগকাৰী আৰু গ্রাহকৰ মাজত এটা ব্যক্তিগত সম্পর্ক গঢ় লৈ উঠে। এনে সংযোগ ব্যৱস্থাত তাৎক্ষণিকভাৱে ক্রিয়া-প্রতিক্রিয়াও (পলমকৈও হ'ব পাৰে) প্রকাশ কৰিব পৰা যায়। এনে সংযোগৰ উদাহৰণ হ'ল ভার্ছুৱেল ছাট ৰুমৰ সহায়ত কৰা ছাটিং, ই মেইল প্রেৰণ, স্ক্রেপ লিখন, ইত্যাদি। এই দিশৰ পৰা চাবলৈ গ'লে নব্য প্রচাৰ মাধ্যমক আন্তঃব্যক্তিগত সংযোগ বুলিও ক'ব পাৰি। ইয়াত বার্তা এটা কোনো এগৰাকী বিশেষ ব্যক্তিলৈ প্রেৰণ কৰিব পাৰি (গণৰ পৰা বিচ্ছিন্নকৰণ)। নব্য প্রচাৰ মাধ্যমৰ জৰিয়তে তথ্য প্রচাৰ কৰা পদ্ধতিটো অতি আন্তঃক্রিয়াশীল। অর্থাৎ এনে সংযোগ প্রক্রিয়াত ভাগ লোৱা সকলে পাৰস্পৰিক মত বিনিময়ৰ কালছোৱাত নিজৰ ভূমিকা নিয়ন্ত্রণ অথবা ভূমিকা বিনিময় কৰিব পাৰে। এনে ধৰণৰ আন্তঃক্রিয়াশীলতা মুখামুখি সংযোগৰ এটা প্রধান বৈশিষ্ট্য।

একে সময়তে, নব্য প্রচাৰ মাধ্যমৰ জৰিয়তে স্থাপন কৰা সংযোগৰ গণসংযোগ সৈতেও মিল আছে। কাৰণ এনে সংযোগ প্রক্রিয়াটোত একোটা যন্ত্র নাইবা কোনো মধ্যৱর্তী মাধ্যম জড়িত হৈ থাকে। তথ্য বিনিময় কৰোতা পক্ষ দুটাৰ মাজত কোনো শাৰীৰিক নৈকট্য গঢ়ি নুঠে। অর্থাৎ এই বিনিময় মাধ্যমত গণসংযোগ মাধ্যমবোৰৰ দৰেই নৈর্বক্তিকতা বিৰাজমান।

## ৪.৩.২.২ নব্য প্রচাৰ মাধ্যমৰ মৌলিক বৈশিষ্ট্য

নব্য প্রচাৰ মাধ্যমৰ মৌলিক বৈশিষ্ট্য কেইটা তলত উল্লেখ কৰা হ'ল ঃ

- **আন্তঃক্রিয়াশীলতা** (Interactivity)
  নব্য প্রচাৰ মাধ্যমৰ জৰিয়তে তথ্য বিনিময় কৰিব খোজা সকলে ইজনে সিজনৰ সৈতে কথা পাতিব পাৰে। আন্তঃক্রিয়াশীলতাৰ বিভিন্ন ৰূপ থাকিব পাৰে। যেনে — গ্রাহকে যোগানকাৰীৰ সৈতে, গ্রাহকে অন্য গ্রাহকৰ সৈতে অথবা গ্রাহকে যোগনিয়াৰৰ ৰূপত সংযোগ স্থাপন কৰিব পাৰে।

- **হাইপাৰটেক্সট্** (Hypertext)
  নব্য প্রচাৰ মাধ্যমৰ আন এটা বৈশিষ্ট্য হ'ল হাইপাৰটেক্সট্ সুবিধা। এই সুবিধাৰ বাবে বিভিন্ন ধৰণৰ 'টেক্সট'ৰ সৈতে সংযোগ স্থাপন কৰিব পৰা যায়। 'টেক্সট' মানে লিখিত তথ্য অথবা শ্রব্য আৰু দৃশ্য-শ্রব্য সমলৰ কথা বুজোৱা হৈছে।

- **মাল্টি মিডিয়া** (Multi-media)
  নব্য প্রচাৰ মাধ্যমৰ ফটো, ধ্বনি, শ্রব্য উপাদান, দৃশ্যমান উপাদান, নানা ছবি আৰু শব্দ - এই আটাইবোৰ উপাদানকে মাল্টি-মিডিয়া নামৰ একক মাধ্যম এটাত অন্তর্ভুক্ত কৰাৰ সামর্থ আছে। এই বৈশিষ্ট্যটোৱে নব্য প্রচাৰ মাধ্যমক অন্য মাধ্যমৰ পৰা পৃথক কৰিছে।

- **নির্বাচন ক্ষমতা** (Selectivity)
  নব্য প্রচাৰ মাধ্যমে মানুহৰ মনতকৈও দ্রুত বেগত সীমাহীন সা-সুবিধা আগবঢ়াব পৰাকৈ সক্ষম হৈ উঠিছে বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব। নন-লিনিয়েৰ প্র'গ্রামসমূহ ৱেবৰ সমষ্টিত সৃষ্টি কৰা হৈছে। ফলত গ্রাহক-দর্শকে নিজ পচন্দ অনুসৰি যিকোনো বিষয়লৈ যাব পাৰে আৰু অধিক তথ্য আহৰণ কৰাৰ বাবে অন্য উৎসৰ লিংকবোৰো খুলি চাব পাৰে। ভাগৰি নপৰাকৈ গ্রাহক-দর্শকে এই সুবিধা গ্রহণ কৰি ন ন তথ্য ভাণ্ডাৰৰ দুৱাৰ খুলি গৈ থাকিব পাৰে। পঠন অথবা সংবাদ গ্রহণৰ শৈলী গ্রাহকৰ পচন্দৰ ওপৰত নির্ভৰশীল, তথ্য যোগনীয়াৰৰ ওপৰত নহয়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ননং ১:Ã** নব্য প্রচাৰ মাধ্যম মানে কি?

.....

.....

.....

**প্রশ্ননং ২:Ã** নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

## ৪.৪ ভাৰতত কম্পিউটাৰ বিপ্লৱ আৰু ইন্টাৰনেট

আগতেই উল্লেখ কৰা হৈছে যে কম্পিউটাৰৰ উন্মেষে ইন্টাৰনেট নামৰ নব্য প্রচাৰ মাধ্যমটোৰ বিকাশৰ পথ প্রশস্ত কৰি তুলিলে। ইন্টাৰনেটৰ বিকাশ হ'ল কম্পিউটাৰে আগবঢ়োৱা বহুমুখী সম্ভাৱনীয়তাবোৰৰ মাজৰে এটা সম্ভাৱনীতাৰ বিকাশ। কম্পিউটাৰে বনুৱাৰ সংখ্যা হ্রাস কৰি একেলগে বহুকেইটা কাম কৰিবলৈ আৰম্ভ কৰিলে। অর্থাৎ কর্মস্থানত কম্পিউটাৰৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ লগে লগে বহু মানুহৰ কাম অকলেই চম্ভালি ল'লে বাবে কর্মচাৰীৰ সংখ্যা হ্রাস পাবলৈ ধৰিলে।

### ৪.৪.১ কম্পিউটাৰৰ ইতিহাস আৰু বিকাশ

1945 চনত বিশ্বৰ প্রথমটো কম্পিউটাৰ ENIAC বিকশাই তোলা হৈছিল। আমেৰিকাৰ পেনছিলভিনিয়া বিশ্ববিদ্যালয়ত সামৰিক উদ্দেশ্য সাধনৰ অর্থে ইয়াৰ বিকাশ ঘটোৱা হৈছিল। আমেৰিকাৰ প্রতিৰক্ষা বিভাগে ইয়াৰ বাবে প্রয়োজনীয় পুঁজিৰ যোগান ধৰিছিল। সেই সময়ত কম্পিউটাৰটোৰ আকাৰ অতি বৃহৎ আছিল। ইয়াৰ বিকাশৰ নামত কেইবা মিলিয়ন ডলাৰ খৰছ হৈছিল। কম্পিউটাৰটো চলাবলৈ বিপুল পৰিমাণৰ বিজুলি শক্তিৰ প্রয়োজন হৈছিল। যন্ত্রটোক ইমানেই বিদুৎ শক্তিৰ প্রয়োজন হৈছিল যে যেতিয়াই ENIAC সক্রিয় কৰা হৈছিল সমগ্র ফিলাডেলফিয়া চহৰখনৰ বিজুলী চাকিৰ পোহৰ একেবাৰে কমি গৈছিল। সেয়েহে কম্পিউটাৰৰ ব্যৱহাৰ আৰু কাম-কাজ কেৱল কেইটামান নিগমৰ মাজতে সীমাবদ্ধ কৰি ৰখা হৈছিল। পাছলৈ সত্তৰৰ দশকত মাইক্র' কম্পিউটাৰৰ বিকাশ ঘটিল আৰু কম্পিউটাৰৰ ব্যৱহাৰ সহজ হৈ পৰিল।

ভাৰতত 1955 চনত কলিকতাৰ ভাৰতীয় পৰিসংখ্যা প্রতিষ্ঠানে প্রথমটো কম্পিউটাৰ ব্যৱহাৰ কৰিছিল। ইয়াৰ বৃহদাকাৰ আৰু জটিল কর্ম-সম্পাদন প্রক্রিয়াৰ বাবে ব্যৱহাৰ অতি সীমিত আছিল। তদুপৰি সেই সময়ৰ কম্পিউটাৰ বিষয়ক চৰকাৰী নীতিসমূহ সিমান আশাপ্রদ নাছিল বাবে কম্পিউটাৰৰ বিকাশৰ কামত তৎপৰ হৈ পৰিবলৈ বিদেশী বিনিয়োগকাৰী আৰু স্থানীয় ব্যৱসায়ীসকলৰ মাজত কোনো আগ্রহ দেখা পোৱা নগৈছিল। 1984 চনত তেতিয়াৰ প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে থলুৱা মাইক্রু'কম্পিউটাৰ উদ্যোগক উৎসাহিত কৰিবলৈ চৰকাৰী নীতিৰ পৰিবর্তন সাধন কৰাৰ লগে লগে কম্পিউটাৰ দেশৰ সকলো কাম-কাজ সম্পাদন পদ্ধতিৰে অবিচ্ছেদ্য অংগত পৰিণত হ'ল।

মাইক্রু' কম্পিউটাবোৰ এজন মানুহে ব্যৱহাৰ কৰিব পৰাকৈ সাজি উলিওৱা হৈছিল। সেয়েহে এনে কম্পিউটাৰবোৰক 'পার্ছনেল কম্পিউটাৰ' অথবা পিছি বুলি কোৱা হয়। সত্তৰ দশকৰ আৰম্ভণিতে মাইক্রু'কম্পিউটাৰ বিকশাই তোলা হৈছিল। টেবুল এখনৰ ওপৰত বহুৱাই থ'ব পৰাকৈ ইয়াক সৰু আকাৰত পৰাকৈ সাজি উলিওৱা হৈছিল। দাম কেইহাজাৰমান ডলাৰ কমি গৈছিল। প্রথমটো ব্যক্তিগত কম্পিউটাৰ ছিলিকন ভেলীৰ 'জেৰক্স পার্ক'-ত (Xerox Palo Alto Research Park) সাজি উলিওৱা হৈছিল। 'জেৰক্স পার্ক'ৰ গৱেষকসকলে 'বিট-মেপড কম্পিউটাৰ ডিছপ্লে' যতনবিধো বিকশাই তুলিছিল। পুল ডাউন মেন্যু, আইকন, মাউছ আৰু লেজাৰ প্রিন্টিং-ও তেওঁলোকৰেই অৱদান। লাহে লাহে ব্যক্তিগত কম্পিউটাৰবোৰ কেৱল গণনা (আৰম্ভণিতে সেয়াই আছিল কম্পিউটাৰৰ কাম) কার্যতে ব্যৱহাৰ সলনি সংযোগ বার্তা প্রেৰণৰ উদ্দেশ্যও ব্যৱহাৰ কৰিবলৈ লোৱা হ'ল। নব্বৈ দশকত লাখ লাখ লোকে বিশ্বতে ইন্টাৰনেট ব্যৱহাৰ কৰিবলৈ শিকিলে।

ভাৰতত আশীৰ দশকত মাইক্রু' কম্পিউটাৰ ব্যৱহাৰৰ উজান উঠিল। এই লহৰ নব্বৈৰ দশকলৈকে অব্যাহত থাকিল। অৱশ্যে আমেৰিকাৰ তুলনাত ভাৰতত কম্পিউটাৰ ব্যৱহাৰকাৰীৰ সংখ্যা যথেষ্ট কম হৈয়েই থাকিল। 2000 চনৰ এক সমীক্ষাতে আমেৰিকাৰ প্রায় 50 শতাংশ বাসিন্দাৰ ঘৰতে একোটাকৈ ব্যক্তিগত কম্পিউটাৰ আছে। একে সময়তে ভাৰতত চলোৱা সমীক্ষাতো দেশ ৰ প্রায় 1 শতাংশ বাসিন্দাৰ ঘৰতহে কম্পিউটাৰে প্রৱেশ কৰিবলৈ সক্ষম হৈছে। একেদৰে উল্লিখিত সময়ছোৱাত আমেৰিকাৰ প্রতি গৰাকী কর্মচাৰীৰ টেবুলত একোটাকৈ কম্পিউটাৰ আছিল। ভাৰতত এই কথা এতিয়াও সম্ভৱপৰ হৈ উঠা নাই।

তথাপি সকলো বৈষম্য থকা স্বত্বেও ভাৰতত কম্পিউটাৰৰ যাত্রা আৰম্ভ হৈছে। ই লাহে লাহে প্রতিটো কাম-কাজৰে অংশ হৈ পৰিছে। ইয়াৰ বাবে প্রযুক্তি ক্ষেত্র খনত এচাম লোকে সফলতাৰ শিখৰ বগোৱা আৰম্ভ কৰিছে। প্রতিটো কার্য পদ্ধতিৰে অভূতপূর্ব পৰিবর্তন দেখা পোৱা গৈছে। কম্পিউটাৰে প্রচাৰ মাধ্যম ব্যৱসায়ৰ ওপৰতো প্রভাৱ পেলাবলৈ সক্ষম হৈছে।

## ৪.৪.২ ইন্টাৰনেট

সমাজত কম্পিউটাৰৰ সবাতোকৈ জৰুৰী প্ৰভাৱ পৰিছে ইন্টাৰনেটৰ উদ্ভাৱন ঘটাৰ লগে লগে। ইন্টাৰনেট হ'ল বিভিন্ন নেটৱৰ্কেৰে গঠিত এটা বিশাল নেটৱৰ্ক। ইয়াৰ উদ্দেশ্য হ'ল বিভিন্ন কম্পিউটাৰ ব্যৱহাৰকাৰীৰ মাজত সাধাৰণ সংযোগ স্থাপন কৰা। ই হ'ল ভৌগোলিক অৱস্থান নিৰ্বিশেষে ব্যক্তি আৰু তেওঁলোকৰ কম্পিউটাৰৰ মাজত সম্পৰ্ক স্থাপন আৰু আন্তঃক্ৰিয়াশীলতা গঢ়ি তোলাৰ এটা মাধ্যম। সমগ্ৰ বিশ্বতে তৎমুহূৰ্ততে তথ্য বিয়পাই দিব পৰা ব্যৱস্থা প্ৰণালীটোৰ নামেই হ'ল ইন্টাৰনেট।

সহজ অৰ্থত ক'বলৈ হ'লে ইন্টাৰনেট হ'ল কম্পিউটাৰৰ এটা বিশাল প্ৰণালী। কম্পিউটাৰবোৰ নেটৱৰ্কেৰে সংলগ্ন কৰা হয়। কম্পিউটাৰবোৰৰ সৈতে সংযোগ স্থাপন কৰি তথ্য ভাগ-বটোৱাৰা আৰু বিনিময় কৰে। ই হ'ল লাখ লাখ কম্পিউটাৰ সংযোগ ঘটোৱা এটা বিশাল বিশ্বজনীন নেটৱৰ্ক। প্ৰতিটো ইন্টাৰনেট কম্পিউটাৰকে 'হোষ্ট' (host) বুলি জনা যায়। প্ৰতিটো হোষ্ট কম্পিউটাৰেই স্বতন্ত্ৰ। ব্যৱহাৰকাৰীয়ে কোনটো ইন্টাৰনেট সেৱা ব্যৱহাৰ কৰিব সেয়া নিজে ঠিক কৰে। বিশ্বজনীন ইন্টাৰনেট সম্প্ৰদায়ক কোনবোৰ স্থানীয় সেৱাৰ সুবিধা আগবঢ়ায় সেয়াও ব্যক্তিগত ব্যৱহাৰকাৰীয়ে ঠিক কৰিব পাৰে।

## ৪.৪.৩ ইন্টাৰনেটৰ ইতিহাস আৰু বিকাশ

ইন্টাৰনেটৰ ইতিহাস শীতল যুদ্ধৰ যুগতে আৰম্ভ হৈছে। ষাঠিৰ দশকত শীতল যুদ্ধই ইয়াৰ চৰম সীমা পোৱাৰ সময়ত আমেৰিকাৰ চৰকাৰে এক নিয়ন্ত্ৰণ গাঁথনিৰ গৰাকী হোৱাৰ প্ৰয়াস কৰিছিল যাতে ছোভিয়েতৰ পাৰমাণৱিক আক্ৰমণ প্ৰতিহত কৰিব পাৰে। তেওঁলোকে দেশৰ সকলো উৎসকে এটা কেন্দ্ৰীয় প্ৰাধিকৰণৰ হাতত জমা ৰাখিলে সেই প্ৰাধিকৰণটো আক্ৰমণৰ প্ৰথম লক্ষ্য হ'ব বুলি ভাবিছিল। সেয়েহে তেওঁলোকে কোনো কেন্দ্ৰীয় কৰ্তৃত্ব নথকা এটা নেটৱৰ্ক গঠনৰ চিন্তা-চৰ্চা আৰম্ভ কৰিছিল। এই নেটৱৰ্কৰ নীতি আছিল নেটৱৰ্কটোৰ অধীনস্থ সকলো কম্পিউটাৰ সম মৰ্যদাসম্পন্ন হ'ব। নেটৱৰ্কৰ অধীন প্ৰতিটো কম্পিউটাৰে পেকেটত (কম্পিউটাৰত ব্যৱহৃত) তথ্য প্ৰেৰণ আৰু গ্ৰহণ কৰিব পাৰিব।

কথা মতে আমেৰিকাৰ চৰকাৰে সমগ্ৰ দেশতে কম্পিউটাৰৰ এটা নেটৱৰ্ক গঢ়ি তুলিলে। প্ৰক্ৰিয়াটো এনেদৰে সজাই তোলা হৈছিল যে যদি নেটৱৰ্কৰ অধীনৰ এটা অথবা একাধিক কম্পিউটাৰ অচল হৈ পৰে তেতিয়াও সামগ্ৰিকভাৱে নেটৱৰ্কটোৰ কোনো ক্ষতি নহয়। এই নেটৱৰ্কটোৰ নাম ৰখা হৈছিল ARPANET । ইয়াক ইন্টাৰনেটৰ পূৰ্বসূৰী কোৱা হয়।

1973 চনত বিভিন্ন ধৰণৰ পেকেট নেটৱৰ্কৰ মাজত আন্তঃসংযোগ গঠন কৰিবলৈ কৌশল আৰু প্ৰযুক্তি বিকশাই তোলাৰ অনুসন্ধান আৰম্ভ কৰিবলৈ আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগৰ

উন্নত গৱেষণা প্রকল্প এজেন্সীয়ে (DARPA) এখন গৱেষণা কার্যসূচীৰ পাতনি মেলিলে। ইয়াৰ উদ্দেশ্য আছিল এটা সংযোগ প্রট'কল বাহিৰ কৰা। যাৰ সহায়ত নেটৱর্কৰ অধীনস্থ কম্পিউটাৰবোৰে একাধিক লিংকড পকেট নেটৱর্কৰ সৈতে স্বচ্ছতাৰে সংযোগ স্থাপন কৰিব পাৰিব বুলি ভবা হৈছিল। এই প্রকল্পটোক 'ইন্টাৰনেটিং প্রকল্প' নাম দিয়া হৈছিল। গৱেষণাৰ ফলস্বৰূপে বিকাশ ঘটা নেটৱর্ক প্রণালীটোৰ নাম ৰখা হৈছিল 'ইন্টাৰনে'ট। গৱেষণা কালত বিকশাই তোলা প্রট'কল প্রণালীটো 'আইপি প্রট'কল ছ্যুট' অথবা 'ট্রান্সমিশ্যন কন্ট্রল প্রট'কল (TCP) নামেৰে জনাজাত হ'ল।

**ভাৰতত ইন্টাৰনে'ট**

ইন্টাৰনে'ট যদিও এটা বিশেষ উদ্দেশ্য আগত ৰাখিহে বিকশাই তোলা হৈছিল, তথাপিও লাহে লাহে ই সাধাৰণ লোকৰ ব্যৱহাৰৰ বাবে মুকলি হৈ পৰিল। পাছত ইয়াৰ সেৱাই দেশৰ চাৰিসীমা অতিক্রম কৰিলে। অন্য সংযোগ পন্থাবোৰৰ তুলনাত ইন্টাৰনে'টৰ মাধ্যমেৰে স্থাপন কৰা সংযোগ দ্রুত, কম খৰছী আৰু অধিক ভৰসাযোগ্য। ভাৰতত 1995 চনৰ পাছত ইন্টাৰনে'টৰ জনপ্রিয়তা বৃদ্ধি পালে আৰু বহুল প্রয়োগ দেখা পোৱা গ'ল। তেতিয়াৰে পৰা ভাৰতত ইন্টাৰনে'টৰ ব্যক্তিগত ব্যৱহাৰ আৰম্ভ হ'ল তথা ব্যৱসায়িক উদ্দেশ্যেৰে প্রতিষ্ঠানবোৰেও ইন্টাৰনে'ট ব্যৱহাৰ কৰাৰ অনুমতি লাভ কৰিলে।

2008 চনত ভাৰতত 4 কোটি 50 লাখ 30 হাজাৰ (45.3 million) সক্রিয় ইন্টাৰনে'ট ব্যৱহাৰ কৰি থকা তথ্য পোৱা গৈছে (উৎস-ভাৰতীয় আন্তঃৰাষ্ট্রীয় ইন্টাৰনে'ট আৰু মোবাইল সংগঠন)। 2006 চনত ব্রডবেণ্ড সংযোগৰ সূচনা হোৱাৰ পাছত এই সুবিধা গ্রহণ কৰা লোকৰ সংখ্যা ক্রমে বৃদ্ধি পাইছে। 2009 চনৰ নৱেম্বৰ মাহৰ শেষত দেশৰ মুঠ ব্রড ব্রেণ্ড সংযোগৰ সূচনা হোৱাত সংখ্যা 70 লাখ 57 হাজাৰ হৈছেগৈ। 1992 চনৰ অর্থনৈতিক মুক্তাৰস্থাৰ পাছত বহুতো ব্যক্তিগত ISP -এ ভাৰতৰ বজাৰত প্রৱেশ কৰিছে। ইয়াৰে বহুতৰে নিজা 'লোকেল লুপ' আৰু গেটৱে' আন্তঃগাঁথনি আছে। TRAI -এ দেশৰ টেলিকম সেৱাৰ বজাৰখন নিয়ন্ত্রণ কৰে।

সমগ্র বিশ্বতে একে সময়তে প্রচাৰ মাধ্যমৰ ব্যৱসায়িক জগতখনত ইন্টাৰনে'টে আঘাত হানিছে। ইয়াৰ বিকাশৰ গতি অতি দ্রুত আৰু সাধাৰণ পৰিস্থিতিত অভাৱনীয় হাৰত এই বিকাশ ঘটিছে। ইয়াৰ এটা কাৰণ ব্যক্তিগত কম্পিউটাৰৰ বহুল প্রয়োগ হ'ব পাৰে। ইয়াৰ সহায়তে ইন্টাৰনে'ট সেৱা গ্রহণ কৰাটো সহজ হৈ পৰিছে। ইন্টাৰনে'টে মানুহৰ শিকাৰ, খেলাৰ, সংযোগ স্থাপন কৰাৰ আৰু কাম কৰাৰ কৌশল মৌলিক ভাৱে সলনি কৰি পেলাইছে। ই মানুহৰ ব্যৱসায় কৰাৰ ধৰণ, লেন-দেনৰ কৌশল, ভ্রমণ, বস্তু ক্রয়ৰ পদ্ধতি আদিলৈ আমূল পৰিবর্তন কঢ়িয়াই আনিছে। সাম্প্রতিক পৰিস্থিতিত ই-কমার্চ, এ-বিজনেছ, ই-বেংকিং, ই-গভর্নেন্স, ই-লার্নিং আদি ধাৰণা সর্বব্যাপ্ত হৈ পৰিছে। অধ্যায়টোত আমি এইবোৰৰ বিষয়েও আলোচনা কৰিম।

## ৪.৪.৪üইন্টাৰনেˈট আৰু বিশ্বজনীন গাঁৱৰ ধাৰণা

ইন্টাৰনেˈটে সমগ্ৰ বিশ্বতে বার্তাৰ দ্ৰুত আৰু তাৎক্ষণিক স্থানান্তৰ সম্ভৱপৰ কৰি তুলিছে। আন অর্থত, ইন্টাৰনেˈটে মানুহ, দেশ, প্ৰতিষ্ঠানৰ মাজত থকা সময় আৰু স্থানৰ ব্যৱধান নাইকিয়া কৰি পেলাইছে। মানুহে যেতিয়া ইন্টাৰনেˈটৰ মাধ্যমেৰে কথা পাতে তেতিয়া ভৌগোলিক চাৰিসীমাৰ কথা মনলৈ নাহে। সেইবাবে ইন্টাৰনেˈটে গোটেই পৃথিৱীখনকে এখন গাঁৱলৈ ৰূপান্তৰিত কৰিছে বুলি কোৱা হয়। ব্যক্তি আৰু দেশৰ মাজত থকা ভৌগোলিক দূৰত্ব নাইকিয়া হোৱা বাবে সংযোগকাৰী ব্যক্তিয়ে তেওঁলোকৰ মাজত থকা পার্থক্য আৰু দূৰত্বৰ কথা নভবাকৈয়ে একোখন গাঁৱৰ বাসিন্দাৰ দৰে মত বিনিময় কৰে।

1960-ৰ দশকত কানাডাৰ 'মিডিয়া গুৰু' মার্শাল মেক্লুহানে বিশ্বজনীন গাঁৱৰ (Global Village) ধাৰণাটোৰ জন্ম দিছিল। সেই সময়ত ইন্টাৰনেˈটৰ আত্মপ্ৰকাশ ঘটিছিল মাত্ৰ। তেওঁ ইন্টাৰনেˈটৰ মাধ্যমেৰে লগ লগা পৃথিৱী এখন দেখা পাইছিল। ৰাজপথে যেনেদৰে বিভিন্ন স্থানৰ সংযোগ ঘটায়, ঠিক তেনেদৰে ইন্টাৰনেˈটেও পৰিসীমা অতিক্ৰম কৰি বিভিন্ন দেশক লগ লগাব বুলি তেওঁ ভাবিছিল। তেওঁ ইন্টাৰনেˈটৰ এই যাত্ৰাক 'ইনফৰমেশ্যন ছুপাৰহাইৱে' নাম দিছিল। কাৰণ মানুহে 'ইন্টাৰনেˈটত তথ্য বিনিময় কৰিবলৈ লৈছিল। আন এক দিশৰ পৰা ক'বলৈ গ'লে ইন্টাৰনেˈট ছুপাৰহাইৱেˈৰ জৰিয়তে মানুহৰ মাজত সংযোগ স্থাপন হৈছিল আৰু ইয়াৰ মাধ্যমেৰে তথ্যই যাত্ৰা কৰিবলৈ লৈছিল।

এইবোৰ কাৰণতে মেক্ লুহানে বিশ্বাস কৰিছিল যে এদিন এই ইনফৰমেশ্যন ছুপাৰহাইৱেˈই পৃথিৱীখন সলনি কৰিব আৰু ইয়াক এখন বিশ্বজনীন গাঁৱত পৰিণত কৰিব। কেইবা দশক আগতে মেক্লুহানে দেখা সপোনটো লাহে লাহে দিঠকত পৰিণত হ'বলৈ ধৰিছে। আমি আটায়ে চাবলৈ গ'লে এখন বিশ্বজনীন গাঁৱৰ বাসিন্দা হৈ পৰিছো।

## ৪.৪.৫ সমধর্মিতা আৰু নব্য প্ৰচাৰ মাধ্যম

সমধর্মিতা হ'ল এনে এক প্ৰক্ৰিয়া যাৰ সহায়ত সংযোগৰ বিভিন্ন পন্থাই ইটোৰ সৈতে সিটো লীন গৈ সংযোগৰ এটা পৃথক মাধ্যম গঠন কৰে। ইন্টাৰনেˈট নামৰ নব্য প্ৰচাৰ মাধ্যমৰো এই সমধর্মিতাৰ প্ৰক্ৰিয়াৰেই উন্মেষ ঘটিছে। এই নব্য প্ৰচাৰ মাধ্যমটোত আমি পঢ়িব পাৰো, ফটো, ভিডিঅ'-কথাছবি আদিও চাব পাৰো। ইন্টাৰনেˈটে এতিয়ালৈকে উদ্ভৱ হোৱা সকলোবোৰ সংযোগৰ উপায়কে লীন নিয়াই এটা একক মাধ্যমৰ ৰূপত গা কৰি উঠিছে বুলি কোৱা হয়। ইয়াৰ যোগেদি দ্ৰুত গতিত যিকোনো সময়তে য'তে ত'তে ডেটা আৰু তথ্য আহৰণ কৰিব পৰা যায়। ইয়েই মাধ্যমটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ই অইন প্ৰচাৰ মাধ্যমতকৈ পৃথক যদিও ইন্টাৰনেˈটতে অন্য মাধ্যমবোৰ সোমাই আছে।

## ৱর্ল্ড ৱাইড ৱেব (WWW)

উচ্চ ক্ষমতাসম্পন্ন পদার্থবিজ্ঞানৰ ক্ষেত্রখনত বিশ্বব্যাপী সংযোগ স্থাপনৰ খাতিৰত টিম বার্ণাৰে এই ধাৰণাটো বিকশাই তুলিছিল। কিন্তু পাছত ইন্টাৰনেটৰ 'হাইপাৰলিংক'ৰ ধাৰণাটো ব্যৱহাৰ হ'বলৈ লোৱাৰ পৰা www-এ জনপ্রিয়তা অর্জন কৰিলে। গ্রাহকে এতিয়া জটিল কমাণ্ড ব্যৱহাৰ নকৰাকৈয়ে এটা পৃষ্ঠাৰ পৰা আন এটা পৃষ্ঠালৈ যাব পৰা হ'ল।

যাৰ ওচৰত এটা ব্যক্তিগত কম্পিউটাৰ আৰু এটা ম'ডেম থাকে, তেওঁলোকে এটা টেলিফোন লাইনৰ মাধ্যমেৰে ইন্টাৰনেটত প্রৱেশ কৰি ৱেবৰ জগতখন খুলিব পাৰে। ব্যক্তিগত কম্পিউটাৰটো 'ব্রাউজাৰ' এটাৰে 'লোড' কৰি ল'ব লাগিব। ই হ'ল এটা ছফটৱেৰ। ই গ্রাহকক ৱেব জগতখনৰ দিক্-নিদের্শনা দিয়ে আৰু বিভিন্ন বিষয়বস্তু খুলি চোৱাত সহায় কৰে। ইয়াৰ বাবে প্রথমে এটা ইন্টাৰনেটৰ ছার্ভিছ প্র'ভাইডাৰৰ গ্রাহক হৈ ল'ব লাগিব। এই ISP -টোৱে গ্রাহকক প্রণালীটোৰ সৈতে সংলগ্ন হৈ থকাত সহায় কৰে আৰু এটা তথ্য জমা ৰখা অঞ্চল আগবঢ়ায়। ৱেব তথ্যবোৰ সাধাৰণতে ৱেবছাইত পোৱা যায়। ই পৃথিৱীখনক এখন উমৈহতীয়া স্থানলৈ ৰূপান্তৰিত কৰিছে।

## ইন্টাৰনেট আৰু WWW- ৰ মাজৰ পার্থক্য

ইন্টাৰনেট মানেই www নহয়। ইন্টাৰনেট হ'ল এটা আন্তঃগাঁথনি যিটোৱে সমগ্র বিশ্বৰে কম্পিউটাৰবোৰক সৈতে সম্পর্ক স্থাপন কৰাত সহায় কৰে। www হ'ল এখন আন্তঃপৃষ্ঠ। ইয়াৰ মাধ্যমেৰে আমি ইন্টাৰনেটত বিনিময় কৰিব পাৰো, ডেটা-টেক্সট্-ছবি-গ্রাফিকছ্, শ্রব্য উপাদান আৰু ভিডিঅ' আদান প্রদান কৰিব পাৰো। ইন্টাৰনেটত www -ৰ উপৰি ই-মেইলৰ দৰে অন্য আন্তঃপৃষ্ঠও আছে।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৩:** Ã পৃথিৱীৰ সর্বপ্রথম কম্পিউটাৰ ENIAC -ক কেতিয়া বিকশাই তোলা হৈছিল?

.....

**প্রশ্ন নং ৪:** ভাৰতত কোনে কেতিয়া প্রথম কম্পিউটাৰটোৰ গৰাকী হৈছিল?

.....

**প্রশ্ন নং ৫:** প্রচাৰ মাধ্যমৰ সমধর্মিতা মানে কি?

.....

.....

## ৪.৫ নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ আৰু তথ্যৰ অতিভাৰ (Overload)

ইন্টাৰনে'ট সংযোগ স্থাপনকাৰী নব্য প্রচাৰ মাধ্যমৰ ৰূপ ধাৰণ কৰিছে। ই অন্য প্রচাৰ মাধ্যমবোৰলৈ বৃহৎ ভাবুকি কঢ়িয়াই আনিছে। ই আনকি অন্য প্রচাৰ মাধ্যমবোৰক বিষয়বস্তু সলনি কৰিবলৈ বাধ্য কৰাইছে। সম্প্রতি ইন্টাৰনে'ট হ'ল তথ্য আহৰণৰ বহুল ব্যৱহৃত উৎস। ই দর্শকক বিশাল জ্ঞান ভাণ্ডাৰেৰে সমৃদ্ধ কৰিছে। মানুহে কল্পনা কৰিব পৰাকৈ বহুগুণে অধিক বিষয়ৰ ডেটা আৰু তথ্য ইন্টাৰনে'টত সঞ্চিত হৈ আহিছে।


যোৱা দশকটোত ইন্টাৰনে'টে এক বিশেষ শ্রেণীৰ গ্রাহক-দর্শকৰ সৃষ্টি কৰিছে। এই শ্রেণীটো টেলিভিছ্ন ৰেডিঅ' অথবা বাতৰি-কাকতৰ দর্শক-শ্রোতা-পাঠকৰ দৰে নহয়। এই নতুন শ্রেণীটোৰ চাহিদা অধিক আৰু অধিক নির্বাচনক্ষম। এই শ্রেণীটোৰ মনোভাবে অন্য প্রচাৰ মাধ্যমবোৰকো ইয়াৰ তথ্য প্রচাৰ শৈলী সলনি কৰিবলৈ বাধ্য কৰিছে। প্রচাৰ মাধ্যম প্রযোজকসকলৰ বাবে এই মুহূর্তত সবাতোকৈ জৰুৰী বিষয়টো হ'ল দর্শক-শ্রোতা-পাঠকক সবল কৰি তোলা।

ইন্টাৰনে'ট আৰু নব্য প্রচাৰ মাধ্যমে এচাম 'নেটি জেন'ৰ সৃষ্টি কৰিছে। নেটিজেনসকল হ'ল ইন্টাৰনে'টৰ প্রতি অত্যাধিক আসক্তি থকা লোক। এইটো বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ বাবে এটা স্বাস্থ্যজনিত গুৰুত্বৰ সমস্যা হৈ পৰিছে। নব্য প্রচাৰ মাধ্যমে সমাজ বিচ্ছিন্ন চাম এটাৰো সৃষ্টি কৰিছে। এনে লোকসকল সামাজিক কাম-কাজৰ পৰা বহু যোজন আঁতৰি থাকে যদিও ছাইবাৰ কার্য-কলাপত ভাগ লোৱাত আগৰণুৱা। এই কথাটোৱে আকৌ সৰু ল'ৰা-ছোৱালীক বেছিকৈ ক্ষতিগ্রস্ত কৰিছে। সিহঁতৰ বাবে নব্য প্রচাৰ মাধ্যম অন্যতকৈ অধিক আন্তঃক্রিয়াশীল, মনোৰঞ্জনকাৰী আৰু আনন্দ-স্ফূর্তিৰে ভৰা।

ইন্টাৰনে'টৰ মানুহৰ ৰুচি আৰু মনোভাৱ সলনি কৰিব পৰা সামর্থ্য আছে। দর্শকে বিভিন্ন ধৰণৰ সংস্কৃতিৰ সৈতে পৰিচিত হয়। ইয়াতে বহুতো সংস্কৃতিৰ আমাৰ নিজস্ব সংস্কৃতিৰ সৈতে কোনো মিল নাই। ভাৰতৰ ডেকাচামৰ মাজত ইয়ে এক অচিনাকি সংস্কৃতিৰ জন্ম দিছে। এই চামটো পৰম্পৰাগত প্রমূল্য আৰু ব্যৱস্থা সম্পর্কে সজাগ নহয়। তেওঁলোকে পশ্চিমীয়া সংস্কৃতি আৰু প্রমূল্যকহে অধিক গুৰুত্ব দিবলৈ লৈছে।

নব্য প্রচাৰ মাধ্যম হ'ল তথ্যৰ ভঁৰাল। ই ন্টাৰনে'ট আৰু www -এ মিলি তথ্য আহৰণৰ প্রক্রিয়াটো সৰল কৰি তুলিছে। গ্রাহক-দর্শকৰ পৰা মাত্র এটা ক্লিক্ আঁতৰত তথ্যৰ অসীম ভাণ্ডাৰ মজুত হৈ থাকে। নব্য প্রচাৰ মাধ্যমৰ মাল্টি-মিডিয়া, হাইপাৰটেক্সট্ আৰু হাইপাৰলিংক সুবিধাই শত-সহস্র ডেটা আৰু তথ্য সংগ্রহ কৰি ৰখাত সহায় কৰিছে। নব্য প্রচাৰ মাধ্যমৰ ভাণ্ডাৰ মজুত হৈ থকা তথ্যৰ বৈচিত্র্য আৰু সংখ্যাৰ কথা মানুহে কল্পনাও কৰিব নোৱাৰে। এই তথ্যবোৰ এজন মানুহে এটা জীৱন কালত ব্যৱহাৰ কৰি শেষ কৰিব নোৱাৰে।

অর্থাৎ নব্য প্রচাৰ মাধ্যমৰ জগতখনত বিস্ফোৰণ ঘটিছে বুলি ক'ব পৰা যায়। অর্থাৎ ইয়াত ব্যৱহাৰ কৰিব পৰাকৈ অধিক তথ্য জমা হৈছে। তথ্যৰ এই বিস্ফোৰণে তথ্যৰ অতিভাৰৰ সৃষ্টি কৰিছে। ইন্টাৰনে'টত তথ্য জঁটৰ সৃষ্টি হৈছে। ইয়েই অতিভাৰৰ সমস্যাটো অধিক জটিল কৰি তুলিছে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৬:**Ã তথ্যৰ অতিভাৰ মানে কি?

.....

.....

.....



## ৪.৬ üঅধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

কম্পিউটাৰৰ অভ্যুত্থান আৰু ইন্টাৰনে'টৰ আত্মপ্রকাশ ঘটাৰ লগতে ৱর্ল্ড ৱাইড ৱেবৰ বিকাশৰ লগে লগে নব্য প্রচাৰ মাধ্যমৰ ধাৰণাটোৰ জন্ম হ'ল। ইন্টাৰনে'টক সঠিক অর্থতে নব্য প্রচাৰ মাধ্যম বোলা হৈছে। ই সংযোগৰ এটা নতুন মাধ্যম আগবঢ়াইছে। ইন্টাৰনে'টে সংযোগ স্থাপনৰ শৈলীলৈ পৰিবর্তন কঢ়িয়াই আনিছে।

নব্য প্রচাৰ মাধ্যমে পুৰণি প্রচাৰ মাধ্যমবোৰৰ (ৰেডিঅ', টিভি, আৰু বাতৰি-কাকত) কিছুমান বৈশিষ্ট্য বর্ত্তমানত সক্রিয় আন বহুতো প্রচাৰ মাধ্যমতকৈ সম্পূর্ণ পৃথক। নব্য প্রচাৰ মাধ্যমৰ কেইটামান অনন্য বৈশিষ্ট্য হ'ল — মাল্টি-মিডিয়া, নির্বাচন ক্ষমতা, হাইপাৰটেক্সট্, আন্তঃক্রিয়াশীলতা, ইত্যাদি।

মাল্টি-মিডিয়া মানে হ'ল ফটো, ধ্বনি, শ্রব্য উপাদান, দৃশ্যমান উপাদান, নানা ছবি আৰু শব্দ-এই আটাইবোৰ উপাদানকে লগ লগাব পৰা নব্য প্রচাৰ মাধ্যমৰ সামর্থ। নব্য প্রচাৰ মাধ্যমে মানুহক নিজ ৰুচি অনুযায়ী বিষয়বস্তু বাছি লোৱাৰ সুবিধা দিছে। এয়া অন্য প্রচাৰ মাধ্যমবোৰৰ ক্ষেত্রত সুলভ নহয়। দর্শকে কেৱল মাউছত ক্লিক্ কৰি পচন্দৰ বিষয় বাছনি কৰিব পাৰে।

নব্য প্রচাৰ মাধ্যমে দর্শক-গ্রাহকক বিষয়বস্তু চাই থকাৰ সময়ত ব্যস্ত কৰিও ৰাখে। অন্য প্রচাৰ মাধ্যমবোৰত এই সুবিধাটো নাই। দর্শক-গ্রাহকে বিষয়বস্তু গঠনত ভাগ লয় আৰু ব্যক্তিগত পচন্দ অনুসৰি তৈয়াৰী (customised) বিষয়বস্তু ব্যৱহাৰ কৰিব খোজে। এই আন্তঃ ক্রিয়াশীলতাই

নব্য প্রচাৰ মাধ্যমক অন্য প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰিছে। হাইপাৰটেক্সট্ মানে হ'ল একাধিক পৃষ্ঠাক পৰস্পৰৰ সৈতে সংলগ্ন কৰিব পৰা নব্য প্রচাৰ মাধ্যমৰ আন এটা স্বকীয় বৈশিষ্ট্য। এই ধৰণে সংলগ্ন পৃষ্ঠাৰ সংখ্যা অগণন।

ইন্টাৰনেট হ'ল তথ্যৰ ভঁৰাল। ই যিকোনো বিষয়ৰ তথ্য আগবঢ়াব পাৰে। ইন্টাৰনেটত মজুত থকা তথ্যৰ ভাণ্ডাৰ ইমান বিশাল যে কোনো মানুহেই এটা জীৱনকালৰ ভিতৰত সেইবোৰ ব্যৱহাৰ কৰি শেষ কৰিব নোৱাৰিব। অর্থাৎ নব্য প্রচাৰ মাধ্যমে এক প্রকাৰৰ তথ্যৰ অতিভাৰ সৃষ্টি কৰিছে বুলি ক'ব লাগিব। ইয়াৰ অর্থ হ'ল দর্শক-গ্রাহকক ডেটাৰ যোগান ধৰা প্রক্রিয়াটোত তথ্যৰ জঁটৰ সৃষ্টি হৈছে।

## ৪.৭ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থঃ**


1. Singhal & Rogers (2001). India's Communication Revolution. Sage Publications.
2. Ward, Mike (2002). Journalism Online. Taylor and Francis.


## ৪.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যম মানে হ'ল ইন্টাৰনেট।

**২ নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যমৰ কেইটামান বৈশিষ্ট্য হ'ল — মাল্টি-মিডিয়া, নির্বাচনক্ষমতা, হাইপাৰ টেক্সট্, আন্তঃক্রিয়াশীলতা, ইত্যাদি।

মাল্টি-মিডিয়া মানে হ'ল ফটো, ধ্বনি, শ্রব্য উপাদান, দৃশ্যমান উপাদান নানা ছবি আৰু শব্দ - এই আটাইবোৰ উপাদানকে লগ লগাব পৰা নব্য প্রচাৰ মাধ্যমৰ সামর্থ। নব্য প্রচাৰ মাধ্যমে মানুহক নিজ ৰুচি অনুযায়ী বিষয়বস্তু বাচি লোৱাৰ সুবিধা দিছে। এয়া অন্য প্রচাৰ মাধ্যমবোৰৰ ক্ষেত্রত সুলভ নহয়। দর্শকে কেৱল মাউছত ক্লিক্ কৰি পচন্দৰ বিষয় বাছনি কৰিব পাৰে।

নব্য প্রচাৰ মাধ্যমে গ্রাহক-দর্শকক বিষয়বস্তু চাই থকাৰ সময়ত ব্যস্ত কৰিও ৰাখে। অন্য প্রচাৰ মাধ্যমবোৰত এই সুবিধাটো নাই। দর্শক-গ্রাহকে বিষয়বস্তু গঠনত ভাগ লয় আৰু ব্যক্তিগত পচন্দ অনুসৰি তৈয়াৰী বিষয়বস্তু ব্যৱহাৰ কৰিব খোজে। এই আন্তঃক্রিয়াশীলতাই নব্য

প্রচাৰ মাধ্যমক অন্য প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰিছে আৰু দর্শক-গ্রাহকৰ ক্ষেত্রত থকা অক্রিয়তা আঁতৰ কৰিছে।

হাইপাৰটেক্সট্ মানে হ'ল একাধিক পৃষ্ঠাক পৰস্পৰৰ সৈতে সংলগ্ন কৰিব পৰা নব্য প্রচাৰ মাধ্যমৰ এটা স্বকীয় বৈশিষ্ট্য। এইদৰে সংলগ্ন পৃষ্ঠাৰ সংখ্যা গণি শেষ কৰিব নোৱাৰি।

**৩ নং প্রশ্নৰ উত্তৰ ঃ** 1945 চনত।

**৪ নং প্রশ্নৰ উত্তৰ ঃ** 1955 চনত কলিকতাৰ ভাৰতীয় পৰিসংখ্যা প্রতিষ্ঠানে।

**৫ নং প্রশ্নৰ উত্তৰ ঃ** সমধর্মিতা হ'ল এনে এক প্রক্রিয়া যাৰ সহায়ত নব্য প্রচাৰ মাধ্যমে শব্দ, টেক্সট্, ছবি ফটো, ধ্বনি তথা যিকোনো ধৰণৰ শ্রব্য উপাদান মিহলি কৰে। এই প্রক্রিয়াটোৰ ফলস্বৰূপে বিভিন্ন মাধ্যমৰ সংমিশ্রণত সৃষ্টি সম্পূর্ণ পৃথক মাধ্যমৰ সৃষ্টি হয়।

**৬ নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যম হ'ল তথ্যৰ উৎস। তথ্যৰ পৰিমাণ ইমানেই বিশাল যে অধিকাংশ সময়তে ই ব্যক্তিৰ জীৱন তথ্যৰ বোজাৰে ভাৰাক্রান্ত কৰি তুলিব পাৰে। তথ্যৰ এনে নিয়ন্ত্রণহীন জঁটৰ ফলত অতিভাৰ অৱস্থাৰ সৃষ্টি হয়। এনে অৱস্থাত প্রয়োজনতকৈ বহুগুণে অধিক তথ্য মজুত হৈ থকাটো বুজায়।



## ৪.৯ সম্ভাব্য প্রশ্ন

প্রশ্ন 1¼ নব্য প্রচাৰ মাধ্যম মানে কি?

প্রশ্ন 2¼ নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন 3¼ নব্য প্রচাৰ মাধ্যম পুৰণি প্রচাৰ মাধ্যমবোৰতকৈ কিহত পৃথক?

প্রশ্ন 4¼ সমধর্মিতা মানে কি?

প্রশ্ন 5¼ ভাৰতত ইন্টাৰনে'টৰ ইতিহাস আৰু বিকাশ আলোচনা কৰক।

প্রশ্ন 6¼ ভাৰতলৈ কম্পিউটাৰ কেনেদৰে আহিল? আলোচনা কৰক।

প্রশ্ন 7¼ নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ বিশ্লেষণ কৰক।

প্রশ্ন 8¼ চমু টোকা লিখক ঃ

ক) নেটিজেন খ) www গ)তথ্যৰ অতিভাৰ ঘ) মার্শেল মেক্লুহান।